হে আল্লাহ! আখিৰাতৰ জীৱনেই হৈছে প্ৰকৃত জীৱন। গতিকে তুমি আনচাৰ আৰু মুহাজিৰসকলক ক্ষমা কৰি দিয়া।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "হে আল্লাহ! আখিৰাতৰ জীৱনেই হৈছে প্ৰকৃত জীৱন। গতিকে তুমি আনচাৰ
আৰু মুহাজিৰসকলক ক্ষমা কৰি দিয়া।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, আখিৰাতৰ জীৱনেই হৈছে প্ৰকৃত জীৱন, কাৰণ তাত আছে আল্লাহৰ সন্তুষ্টি, তেওঁৰ ৰহমত আৰু জান্নাত। পক্ষান্তৰে পাৰ্থিৱ জীৱন হৈছে ক্ষণস্থায়ী আৰু আখিৰাতৰ জীৱন হৈছে চিৰস্থায়ী। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আনচাৰসকলৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছে, আৰু তেওঁলোকৰ সন্মান আৰু পৰিশুদ্ধতা বিচাৰি দুআ কৰিছে, কাৰণ তেওঁলোকেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক আৰু মুহাজিৰসকলক আশ্ৰয় দান কৰিছে আৰু তেওঁলোকক সহায়-সহযোগিতা কৰিছে, আনকি নিজৰ সম্পদ তেওঁলোকৰ মাজত বণ্টন কৰি দিছে, লগতে তেখেতে মুহাজিৰসকলৰ বাবেও দুআ কৰিছে, কাৰণ তেওঁলোকে আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে নিজৰ ঘৰ দুৱাৰ অৰ্থ সম্পদ ত্যাগ কৰি হিজৰত কৰিছে।

http://www.sunnah.global/hadeeth/as/show/3773